# ।। ষষ্ঠ অধ্যায় ।।

# ষষ্ঠ অধ্যায়

# মায়ঙৰ লোক সাহিত্যত প্ৰতিফলিত লোকজীৱন

## ৬.১ লোকগীতত প্ৰতিফলিত লোকজীৱন ঃ

হেমচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা 'অসমীয়া সাহিত্যৰ চানেকি (১ম খণ্ড; ১৯২৯) গ্ৰন্থত অসমীয়া যুগ বিভাজন কৰোঁতে প্ৰাচীনতম কালটোক 'গীতিযুগ' বুলি নিৰ্দেশ কৰিছে। এই যুগটো তেখেতে খ্ৰীঃ ৬০০-৮০০ খৃষ্টাব্দৰ ভিতৰত ধৰিছে। কিন্তু লোকগীত ৰচনা হোৱাৰ কাল নিৰূপণ কৰা বৰ সহজ কথা নহয়। সেইবুলি এইবোৰ যুগ-নিৰপেক্ষও নহয়।[১] কিছুমান লোকগীতত বুৰঞ্জীৰ সেলেঙি লাগি আছে। অন্যহাতে বিহুনাম, আইনাম, বিয়ানাম আদিৰ নামকৰণে নামধৰ্ম বা নৱ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱৰ ইংগিত দিয়ে। লোকগীত-লোকসাহিত্যৰ উৎপত্তিৰ স'তে লোকজীৱন ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে। লোকগীতসমূহ বিশ্লেষণ কৰি চালেই সমাজ জীৱনৰ ৰীতি-নীতি, লোকবিশ্বাস, ধৰ্ম, ৰাজনীতি, অৰ্থনীতি আৰু সমাজ পৰিবৰ্তনৰ বহুবোৰ কথা জানিব পাৰি। বুৰঞ্জী আৰু ভূগোলেও যদি কোনো এক জাতিৰ মনৰ পৰিচয় দিবলৈ অসমৰ্থ হয়, তেনেহ'লে সেই পৰিচয় দিব পাৰে প্ৰচলিত গীত-পদ আদিয়েহে।[২]

লোকগীতসমূহত শাস্ত্ৰীয় সংগীতৰ দৰে ৰাগ-তালৰ বান্ধোন নাই। ই ব্যক্তি বিশেষৰেই ৰচনা যদিও কোনো নিৰ্দিষ্ট ৰচকৰ নাম পোৱা নাযায়। স্ৰষ্টাৰ সম্পদক জাতি একোটাই শ্ৰদ্ধাৰে গ্ৰহণ কৰে আৰু পুৰুষানুক্ৰমে প্ৰচলিত কৰি ৰাখিবলৈ তাক কিছু নতুনকৈ গঢ়ি-পিতি ল'ব লগা হয়। ফলত পৰবৰ্তী কালৰ মানুহে জানিব নোৱাৰে, সেইবোৰৰ স্ৰষ্টা কোনজন। এনে পৰিবৰ্তন আৰু স্ৰষ্টাৰ নাম বিলুপ্তি লোক-সাহিত্যৰ প্ৰধান বিশেষত্ব।[৩]

বিশিষ্ট লোকতাত্ত্বিক আৰু সমাজ বিজ্ঞানীয়ে লোকগীতৰ আদিম ৰূপ বুলি

---

১ নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৩৪৯

২ গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জনসাহিত্য, পৃ. ১৭

৩ বসু, শুদ্ধসত্ব ঃ বাংলা সাহিত্যৰ নানাৰূপ, পৃ. ২৮৪

চিহ্নিত কৰিছে মন্ত্ৰক।[৪] সেই আবেগযুক্ত মন্ত্ৰই ৰূপান্তৰিত হৈছে লোকগীতলৈ। সেয়ে মন্ত্ৰকেই লোকগীতৰ আদিম অৱস্থা বা প্ৰাচীনতম ৰূপ বুলি কোৱা হয়।[৫]

মন্ত্ৰ লোকজীৱনৰ অঘোষিত জীৱন সংগ্ৰামৰ বাহন। লোকজীৱনৰ ৰোগ-ব্যাধি নিৰ্মূলকৰণ, দেও-ভূত-প্ৰেত দূৰীকৰণ, বশীকৰণ, সন্মোহন, সৌভাগ্যকৰণ, ধন-ধান্য বৃদ্ধিকৰণ, শত্ৰুক্ষয়, ৰাজ্যজয়, স্ত্ৰী লাভ, স্বামী লাভ, সন্তান লাভ আদি বিষয়সমূহ মন্ত্ৰত প্ৰতিফলিত হৈছে। বিবাহৰ তৃতীয় নিশাৰ অনুষ্ঠানত দৰা-কইনাক খোবা-খুবুনীৰ যি আখ্যান শুনোৱা হয়, সিও দৰাচলতে মন্ত্ৰ গীতৰ শাৰীৰহে।[৬] মন্ত্ৰৰ প্ৰয়োগত কোনো সামাজিক বান্ধোন নাই। যিকোনো জাতি-ধৰ্ম-নিৰ্বিশেষে মন্ত্ৰ প্ৰয়োগ কৰিব পাৰে। সাপে ডকা মন্ত্ৰ এটাত আছে

*'ডুমুনীৰ পিতাকক সৰ্পে ডাকিলে*
*কৈত পাওঁ গৰিয়াৰ বেজ।'*[৭]

অসমীয়া তিৰোতাৰ প্ৰসাধন, সুগন্ধীকৰণ, বস্ত্ৰ-অলংকাৰ এই সকলোবোৰৰ উল্লেখ মন্ত্ৰগীতসমূহত দেখিবলৈ পোৱা যায়। লোকজীৱনৰ অন্ধবিশ্বাস, সংস্কাৰ ইত্যাদিৰ ছবি মন্ত্ৰসমূহৰ মাজত প্ৰচলিত হৈ আছে।

লোকগীতসমূহৰ ভিতৰত বিহুগীতৰ মাজত অসমীয়া লোকজীৱনে জীৱন্ত আৰু অধিক প্ৰাণৱন্ত ৰূপত প্ৰকাশ পাইছে। জনজাতীয় স্তৰত আৰম্ভ হৈ সামন্তযুগ অতিক্ৰম কৰি বিহুগীতবোৰে বিভিন্ন সময়ৰ স্মৃতি বহন কৰি আহিছে যদিও গ্ৰাম্য কৃষক জীৱনৰ গঠনটো ই অব্যাহত ৰাখিছে।[৮] বিহুগীতত সমাজৰ অন্তৰংগ আৰু বহিৰঙ্গ দুয়োটা ৰূপকে সমানে দক্ষতাৰে চিত্ৰিত কৰা দেখা যায়।[৯]

কৃষিজীৱি চহা জীৱনৰ বিষয়বস্তুৰে বিহুগীতসমূহ ঘাইকৈ সমৃদ্ধ হৈ আহিছে।

---

৪ Chattopadhyaya : Lokayata 1981 P 269-272
৫ গোস্বামী, প্ৰফুল্ল দত্ত, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৭-১৯
৬ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, পৃ. ৯২
৭ বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ (সম্পা.) অসমীয়া লোক সাহিত্য, পৃ. ২৪২
৮ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৬
৯ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ১৫৯

কৃষিৰ সামগ্ৰী, জীৱ-জন্তু, বিভিন্ন ধান আদিৰ নামৰ উল্লেখ বিহুগীতসমূহৰ মাজত দেখিবলৈ পোৱা যায়।

১৯৭০ চন মানৰ পৰা বড়ো ধানৰ খেতি কৰাৰ পৰাহে মায়ং অঞ্চল কৃষিক্ষেত্ৰত কিছু পৰিমাণে সকাহ লাভ কৰিছে।[১০] বিহুগীতত বড়ো ধানৰ উল্লেখ এনেধৰণৰ ঃ

*'চহকী জীয়ৰী　　দুখীয়াত পৰিলে*
*দিলে গালে মুখে হাত*
*চিন্তা নকৰিবি　　দুখীয়া জীয়াৰী*
*বড়ো ধান কাটিলেহে ভাত।'*

কৃষিকাৰ্যত ব্যৱহৃত ডলা-চালনীৰ উল্লেখ পোৱা যায় এনেধৰণৰ—

*'আঢৈ ধান লেখীয়া　　বান্ধিবা কেতিয়া*
*ডলাতকৈ চালনী ঘন*
*চকুৰে চালেও　　মুখেৰে নামাতা*
*কালৈ কৰিছা মন।'*

অসমীয়া গৃহস্থী ঘৰৰ ঢেঁকীটো বৰ আপোন। চালনী বিচৰাৰ চলে গাৰ পোৰণি মাৰি অহাৰ চিত্ৰ ঃ

*'আহুৰো এপাচি　　শালিৰো এপাচি*
*ঢেঁকীটো নোৱাৰো বলে*
*গাৰে পোৰণি　　মাৰি মই আহোঁগৈ*
*চালনী বিচৰাৰ চলে।'*

অসমীয়া লোকজীৱনৰ তাঁতশালৰ চিত্ৰ এনেধৰণৰ—

*'মাকো মাৰিছিলো　　চিটিপ্ চিটিপ্*
*দোৰপতি শুৱলা মাত*
*শহুৰৰ ঘৰলৈ　　যাবলৈ খোজোতে*
*শত্ৰুৱে নিদিলে বাট।'*

---

১০ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোকসংস্কৃতি

আধুনিক তাঁতশাল ওলোৱাৰ পিছত বিহুগীতত তাৰ প্ৰভাৱ ঃ

*'বনৰ মাজৰ বাঘৰ ছাল*
*ভণ্টীহঁতৰ কপাল ভাল*
*আজিকালি ওলাইছে ৰচী নোহোৱা তাঁতশাল।'*

লোক-সমাজৰ মাছ মৰা কাৰ্য এক সামূহিক আনন্দ-বিনোদনৰ কাৰ্য। এককভাৱে বা সামূহিক ভাৱে আনন্দৰ মাজেৰে মাছমৰা কাৰ্যই লোকগীতত ভুমুকি মাৰিছেঁ এনেদৰে—

*'চতাইৰে পাৰতে পাতো লাঙী জালে*
*উভতি লাগিলে মোৱা*
*কিনো মায়াজালত সোমালো লাহৰী*
*নেদেখো গধূলি পুৱা।'*

গান্ধীজীৰ নেতৃত্বত গোটেই ভাৰতবৰ্ষত যি স্বাধীনতা সংগ্ৰাম চলিছিল, অসমীয়া ডেকা-গাভৰুৰ প্ৰাণকো সি স্পৰ্শ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত কনকলতা শ্বহীদ হৈছিল। জৱাহৰলাল নেহৰু, কমলাৰ কথা বিহুগীতত পোৱা যায়—

*'চতাইৰে পাৰতে কনকলতা কমলা*
*পাতো লাঙীজালে কনকলতা কমলা*
*উভতি লাগিলে মোৱা, কনকলতা কমলা*
*জৱাহৰলালৰ বঙলা*
*হাতে লিখা চিঠিখন*
*কালৈনো পোষ্ট কৰিলা।'*

পুৰণি কালত ডাকঘৰৰ জৰিয়তে চিঠি প্ৰেৰণ কৰাৰ উল্লেখো বিহুগীতটিত পোৱা যায়। ইংৰাজ সকলৰ দিনত দেশত নিয়মীয়াকৈ ডাক চলাচল ব্যৱস্থা কৰা হৈছিল।

গতিকে দেখা যায় যে অসমীয়া বিহুগীতসমূহত লোকজীৱনৰ বিভিন্ন চিত্ৰ প্ৰতিফলিত হৈছে। পদ্মধৰ চলহাই 'বহাগী'ৰ পাতনিত কৈছে 'কোনো এটি যুগৰ সাহিত্য সেই যুগৰ সমাজৰ দাপোণ স্বৰূপ। এই গৰখীয়া গীতবিলাকত পুৰণি অসমীয়া গাঁৱলীয়া জীৱনৰ সুখ-দুখ, আশা-ভয়, আদৰ্শ-আকাংক্ষা প্ৰভৃতিৰ এটি জলন্ত চিত্ৰ

দেখিবলৈ পোৱা যায়। এই চিত্ৰত কি দেখো? প্ৰথমতে সৰল শান্তিময় জীৱনৰ চানেকি, দ্বিতীয়তে প্ৰকৃতি বা ৰাজ্যৰে সৈতে মানৱ ৰাজ্যৰ ঘনিষ্ঠ সম্বন্ধ, তৃতীয়তে দৈৱশক্তিত অটল বিশ্বাস।[১১]

অসমীয়া লোকগীতৰ অন্যতম হৈছে বিয়ানামসমূহ। বিয়ানামসমূহ নৰ-নাৰীৰ পৱিত্ৰ মিলনৰ মধুৰ সংগীত। 'বিয়ানামবোৰ তিৰোতাৰ স্বভাৱসুলভ ঘৰুৱা মায়া-মমতাৰ বসত জুৰুলি-জুপুৰি বিৰহৰ ভাৱ আৰু দৰা কইনা মিলনৰ কল্পনা পৰাগত লুতুৰি-পুতুৰি স্বভাৱ কবিতা।'[১২] বিয়ানামৰ যোগেদি অসমীয়া সমাজৰ বিশেষকৈ নাৰী-জীৱনৰ হুবহু প্ৰতিচ্ছবি পোৱা যায়। এজন ফটোগ্ৰাফাৰে যেনেকৈ সুন্দৰ মুহূৰ্ত্তবোৰ ছবিৰ সহায়ত স্থিৰ কৰি ৰাখে ঠিক তেনেকৈ অনাখৰী আয়তীসকলেও বিয়াৰ প্ৰতিটো গুৰুত্বপূৰ্ণ মুহূৰ্ত্তৰ ছবি বিয়া নামত স্পষ্ট কৰি যায়।

অসমীয়া সমাজত বিবাহক এক পৱিত্ৰ অনুষ্ঠান হিচাপে গণ্য কৰা হয়। সেইবাবেই দৰা কইনাক ৰামসীতা, কৃষ্ণ-ৰুক্মিণী, হৰ-পাৰ্বতী আদি প্ৰসিদ্ধ পৌৰাণিক চৰিত্ৰসমূহক দৰা কইনাৰ সতে ৰিজনি দিয়া হয়। 'তেলৰ ভাৰ বা জোৰণ আহে গাঁৱৰ বা চহৰৰ দৰা ঘৰীয়াৰ পৰা কিন্তু গীতত তেলৰ ভাৰ বা জোৰণ আহে দ্বাৰকাৰ কৃষ্ণৰ পৰা কুণ্ডিলৰ ৰুক্মিণীলৈহে।'[১৩] সেইদৰে দৰা কইনাই গা ধোৱা পানীখিনিক পৱিত্ৰ গংগা যমুনাৰ জল, 'আকাশী গংগাৰ ধাৰ' বুলি অভিহিত কৰা হয়। পিতৃ-মাতৃক দক্ষ ৰজা, ভীষ্মক, দৈৱকী আদিৰ সতে ৰিজনি দিয়া হয়। বিয়া নামসমূহৰ আৰম্ভণি কৰা হয় 'হৰি মোৰ ঐ', 'ৰামকৃষ্ণ', হৰিনাম ইত্যাদি ভক্তিসূচক ধ্বনিৰে। সেইদৰে পানীতোলা ঘাটত 'জলৰূপী নাৰায়ণ' বহি আছে তেওঁৰ অনুমতি লৈহে পানী তোলা হয় বুলি বিয়ানামত উল্লেখ হোৱা দেখা যায়।

অসমীয়া সমাজ বিভিন্ন বৃত্তিধাৰী লোকৰ বসতিস্থল। মায়ং অঞ্চলৰ ক্ষেত্ৰতো দেখা যায় বিভিন্ন বৃত্তিধাৰী লোক একে সমাজতে বসবাস কৰি আছে। বিয়া নামতো ইয়াৰ প্ৰভাৱ ঃ

---

১১ ভূঞা, নকুল চন্দ্ৰ ঃ বহাগী, পাতনি (XI)
১২ নেওগ, ডিম্বেশ্বৰ ঃ অসমীয়া সাহিত্যৰ অধ্যয়ন, পৃ. ২৬
১৩ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ১৪২

*'হৰি মোৰ অ' অজাকী কুমাৰে চাকি গঢ়ি দিলে।'*

*'ৰূপে পানীমলা ধুবিলৈ বাতৰি দিয়া।'*

*'ব্ৰাহ্মণ আহিল কেনি ঐ...।'*

*'ঘাটুৰৈ নকৰে পাৰ...।'*

*'মাছ বেছি আছে ডোমৰে লগত...।'*

ইয়াৰ উপৰিও সোণাৰী, তাঁতি, কহাৰ, মৌ-পালক, মালি আদি বৃত্তিধাৰী লোকৰ উল্লেখ পোৱা যায়।

প্ৰাচীন কালৰ পৰাই বিনিময় প্ৰথাই অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মৰিগাঁও জিলাৰ জোনবিল মেলাৰ 'বিনিময় প্ৰথা' সৰ্বজনবিদিত। অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানতো প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে যেন এই বিনিময় প্ৰথাই নিহিত হৈ আছে। জোৰণত বিনিময় অধিক কৰা হয়। বিয়ানামত বিনিময় প্ৰথাৰ উল্লেখ এনেধৰণৰ ঃ

*'ৰুমালৰ আধলি, দিবা দলি মাৰি*
*ঘাটোৱাই কৰিব পাৰ হে।'*
*'হাতৰ চিৰি আঙঠি দিয়া দলি মাৰি*
*হৈ যাওঁ যমুনাৰ পাৰ হে...।'*

গতিকে দেখা যায় বিয়ানামত অসমীয়া লোকজীৱন প্ৰাণৱন্ত হৈ জিলিকি উঠিছে।

অসমীয়া লোক-সাহিত্যৰ ভিতৰত বেলাড বা মালিতাবোৰে অসমীয়া সমাজ জীৱনৰ লগতে বুৰঞ্জীৰো আভাস দি আহিছে।

মায়ং অঞ্চলত প্ৰাপ্ত মালিতাসমূহৰ ভিতৰত 'নাঙেলী গীত', তেলপেৰা গীত উল্লেখযোগ্য মালিতা। এই মালিতাসমূহত সৰিয়হৰ গুটি সিচাঁৰ পৰা পেৰি তেল উলিওৱালৈকে বৰ্ণনা দিয়া হৈছে। হালবোৱা বা নাঙেলী গীতটোত হালবোৱা সামগ্ৰী সমূহৰ প্ৰয়োজনীয়তা, সৰিয়হৰ খেতি ইত্যাদিৰ ৰসাত্মক বৰ্ণনা আছে।

*'সোণৰ নাঙলখনি ৰূপৰে ফাল*

*জনক ৰজাই জুৰিলে হাল।*

*বালে, মৈয়ালে চহ হ'ল মাটি*

*তাতে চতিয়ালে সৰিয়হ দুটি।'*

সেইদৰে 'হালবোৱা গীত'টিত হাল বোৱা সামগ্ৰী আদিৰ বৰ্ণনা পোৱা যায়—

*'নাঙলে বোলে মোৰ পিঠিতে কুজঁ এ হৰি এ নাৰায়ণ*

*পৃথিৱী সহিতে লাগিমে যুঁজ।'*

মায়ং অঞ্চলত প্ৰাপ্ত কৰ্মবিষয়ক লোকগীতৰো এইবোৰৰ অন্যতম। মাছমৰা গীত, বৰশীবোৱা গীত ধানবনা গীত, তাঁতশালৰ গীত ইত্যাদি গীতবোৰতে লোকজীৱনৰ বিভিন্ন বৃত্তিৰ স'তে জৰিত কৰ্মৰ উল্লেখ পোৱা যায়।

দেহবিচাৰ গীত বা দেহতত্ত্বৰ গীতসমূহৰ মাজত লোকজীৱনৰ জীৱনসম্পৰ্কে ধাৰণাৰ প্ৰকাশ ঘটিছে। মানৱ জীৱন ক্ষণভংগুৰ, অস্থায়ী, অনিত্য এই ভাৱ ধাৰা গীতসমূহৰ মাজত পৰিস্কাৰকৈ ফুটি উঠিছে। মানৱ দেহ যিমান সুন্দৰ হ'লেও এদিন সময়ৰ সোঁতত বিলীন হৈ যাব, গতিকে ভগৱানহে সকলোৰে সাৰথি এই ভাবধাৰা ফুটি উঠিছে দেহবিচাৰৰ গীতসমূহত। জীৱ থকালৈকে দেহৰ আদৰ আছে, মৰিলে দেহৰ আদৰ নাই।

*'এনে সুন্দৰ দেহা উয়ে তোলে মাটি*

*পাবে পাবে খহি পৰে শৰীৰৰে গাঁঠি*

*জীৱটো নাযাওতেই টানি বাহিৰ কৰে*

*ঘৰচুৰা যাব বুলি তুলসী তলতে থ'লে।'*

দেহবিচাৰ গীতসমূহৰ মাজত মহাপুৰুষ শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱো লক্ষ্য কৰা যায়।

*'জীৱন সণোৱালী*

*যেন নৈৰে বালি*

*চিৰদিন নাথাকে বৈ জয় গোবিন্দই ৰাম।'*

লোকজীৱনত বাঁহগছ জুপিয়ে সকলোতে মূল। বাঁহৰ কাঠিকামিৰ পৰা মৃত্যুলৈকে

বাঁহগছ লগৰ সাৰথি হৈ থাকে।

*'ঘৰৰে কাযৰে জাতি-বাঁহ এজুপি*
*সেয়ে মোৰ সোদৰৰ ভাই*
*জীয়াই থাকোঁতে মই*
*কৰোঁ কাঠি কামি*
*মৰিলে লগতে যায়।'*

প্ৰতীকৰ সহায়ৰে জীৱন আৰু জগত সম্বন্ধীয় বিভিন্ন কথা গীতসমূহৰ মাজত লক্ষ্য কৰা যায়।

অসমীয়া লোকসমাজৰ ধৰ্মীয় বিশ্বাস, লোক বিশ্বাস ইত্যাদিৰ ছবিও লোকগীত সমূহৰ মাজেদি প্ৰকাশ পাইছে। অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত আইনাম, পচতি নাম, অপেশ্বৰী সবাহৰ নাম আৰু ধৰ্মীয় লোকগীতৰ ভিতৰত দুৰ্গা গোসাঁনীৰ নাম, কালী গোসাঁনীৰ নাম, শিৱ-পাৰ্ব্বতীৰ নাম বা গীত ইত্যাদিৰ জৰিয়তে অসমীয়া লোকজীৱনৰ সৰল বিশ্বাস প্ৰকাশ পাইছে।

*'মোৰে নিজ গুৰু যাদৱৰায়*
*তোমাৰ সেৱা কৰিবৰ উপায় নাই*
*আমাৰে ঘৰলৈ যাদৱ ৰায়*
*আইসকল আহিছে যাদৱ ৰায়*
*কি লৈ কৰিম মই সেৱা।।'*

মায়ং অঞ্চলৰ লোকগীতসমূহৰ মাজত অসমীয়া লোকজীৱনৰ অনেক সমল সোমাই আছে। গৰখীয়া গীত বা হালবোৱাগীত বা মাছমৰীয়া গীতসমূহৰ মাজত আকৌ ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়, বিৰহ-মিলন আদিৰ উদ্দাম বাসনামুক্ত ৰূপত প্ৰকাশ পাইছে। এইগীতসমূহ প্ৰকৃতিৰ কোলাত মুক্ত মনত সৃষ্টি হোৱা বাবে শব্দৰ প্ৰয়োগত মাৰ্জিত হোৱা দেখা নাযায়। তাৰ পৰিবৰ্ত্তে উচ্ছল সুৰ বা উদ্দাম যৌৱনৰ বাসনা প্ৰকাশ পোৱা দেখা যায়।

অসমীয়া মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰচলিত জিকিৰ আৰু জাৰী গীতসমূহে অসমৰ ধৰ্মীয় আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্বল চানেকি বহন কৰিছে। বেছিভাগ জিকিৰেই আজান পীৰ বা ছাহ মিলানৰ নামত প্ৰচলিত যদিও, সকলোখিনি তেওঁৰ ৰচনা নহয়। আজান ফকীৰে সহজ ছন্দ আৰু জনপ্ৰিয় লোকসুৰৰ আধাৰতে ইছলাম ধৰ্ম আৰু ৰীতি-নীতিৰ শিক্ষা দিবলৈ চেষ্টা কৰিছিল। হিন্দু-মুছলমানৰ পাৰস্পৰিক উদাৰতা, বুজাবুজি আৰু চেনেহ শ্ৰদ্ধাৰ মাজেদি এটা প্ৰীতিপূৰ্ণ আৰু শান্তিপূৰ্ণ সামাজিক জীৱন গঢ়ি তুলিবৰ কাৰণে জিকিৰ গীতবোৰে আহ্বান কৰিছে।

*'মোৰ মনত ভেদভাৱ নাই অ' আল্লা*
*হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান*
*মোৰ মনত ভিন পৰ নাই।'*

অসমীয়া লোকগীতৰ এক বৰ্ণাঢ্য ৰূপ আছে। বিভিন্ন জাতি-জনজাতিৰে ভৰপূৰ অসমৰ লোকগীতবোৰক সৃষ্টি হৈ আজিও প্ৰচলিত হ'ব ধৰিছে। কালৰ সোঁতত বহু গীত-মাত সমাজ পৰিবৰ্ত্তনৰ লগে লগে ইতিমধ্যে হেৰাই গ'ল। 'সাহিত্য আৰু সমাজ জীৱনৰ মাজত চন্দ্ৰ-সূৰ্যৰ দৰে সম্বন্ধ। সমাজ-জীৱনৰ পোহৰকে আহৰণ কৰি সাহিত্যই তাৰ জোনাক চতিয়াই মানুহক মুগ্ধ কৰে।'[১৪] অৰ্থাৎ লোক সাহিত্য লোক সমাজৰ দাপোণ স্বৰূপ।

**৬.২ লোককথাত প্ৰতিফলিত লোক-জীৱন ঃ**

অতি প্ৰাচীন কালৰ পৰাই মানৱ সমাজে বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হৈ আহিছে। কেতিয়াবা প্ৰাকৃতিক দুৰ্যোগ, কেতিয়াবা বন্য জীৱ-জন্তুৰ আক্ৰমণ, কেতিয়াবা পাৰস্পৰিক যুদ্ধ-বিগ্ৰহ আদিৰ ফলস্বৰূপে মানৱজাতিয়ে জীৱনৰ অভিজ্ঞতা সঞ্চয় কৰি আহিছে। এই কাহিনী বা অভিজ্ঞতাসমূহে এহাতে ব্যক্তি বিশেষক অন্যহাতে সামাজিক জীৱনক নিজৰ বা আনৰ অভিজ্ঞতাৰ পৰা শিক্ষা ল'বলৈ প্ৰেৰণা যোগায়। এই কাহিনীসমূহ আনৰ পৰা শুনি অথবা আনক শুনায় ভালপোৱাৰ প্ৰৱণতা সম্ভৱতঃ সকলো মানুহৰে

১৪ বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া লোকসাহিত্য, পৃ. ২৫৫

আছে। সেই প্ৰৱণতাৰ ফলস্বৰূপেই গদ্য ধৰ্মী লোককথাসমূহৰ বিকাশ হৈ আজিও সমাজত পুৰাকথা, জনশ্ৰুতি, সাধুকথা ৰূপে প্ৰচলিত হৈ আহিছে।

পুৰাকথা, জনশ্ৰুতি বা সাধুকথাত প্ৰতিফলিত লোক জীৱন বিচিত্ৰ ধৰণৰ। কেতিয়াবা দেৱ-দেৱীক মানৱীকৰণ, কেতিয়াবা, জীৱ-জন্তু, গছ-লতা, তৰু-তৃণই মানুহৰ দৰে আচৰণ কৰে। প্ৰকৃততে মানৱজীৱনৰ অভিজ্ঞতাসমূহ বিভিন্ন বিষয়ত আৰোপ কৰি এহাতে লোকজীৱনক শিক্ষাদান আনহাতে আমোদ প্ৰদান এই দুই ধৰণৰ সামাজিক প্ৰকাৰ্য সাধন কৰে গদ্যধৰ্মী লোককথাই।

'লিংগ আৰু যোনি পূজাৰ কথা, পুৰাকথাত মহাদেৱৰ এগৰাকী ৰজস্বলা নাৰীৰ প্ৰতি হোৱা কামভাবৰ বাবে নাৰী গৰাকীয়ে ক্ৰোধান্বিত হোৱাত মহাদেৱৰ লিংগ চিঙি পৰে। ফলত মহাদেৱৰ খং উঠাত সেই ছিন্ন লিংগই নাৰী গৰাকীক খেদি যোৱাত নাৰী গৰাকীয়ে বিষ্ণুক প্ৰাৰ্থনা কৰিলে। বিষ্ণুৱে পাৰ্ব্বতীক অনুৰোধ জনোৱাত পাৰ্ব্বতীয়ে নিজৰ যোনিত সেই লিংগ সংস্থাপন কৰাৰপৰা লিংগ যোনি পূজাৰ প্ৰচলন হয়। এই পুৰাকথাই লোক সমাজক নিষিদ্ধ সম্পৰ্কৰ ফলাফলৰ শিক্ষা দান কৰে। 'পুৰাণ কথাই ধৰ্মীয় কৃত্যাদিৰ অন্তৰ্নিহিত অৰ্থ আৰু সেইবোৰৰ লগত জৰিত নিষিদ্ধ আচৰণৰ সম্যক পৰিচয়ো দিব পাৰে।'[১৫]

সেইদৰে মানুহৰ জন্ম কথা, 'শস্যৰ জন্ম কথা', 'ধানৰ জন্ম কথা', 'মদৰ জন্ম কথা', 'শস্যৰ জন্মকথা', 'জগত সৃষ্টিৰ কথা', 'মাছৰ জন্ম কথা' আদি পুৰা কথাই আদিম লোক সমাজত মানৱজীৱনৰ প্ৰয়োজনীয় ব্যৱহাৰ্য খাদ্যবস্তুৰ আদিম অৱস্থাৰ প্ৰতি কৌতুহলৰ সৃষ্টি কৰে। প্ৰতিটো বস্তুৰ সৃষ্টি কেনেকৈ হৈছে এই সম্পৰ্কে লোকসমাজ বিশেষকৈ শিশুৰ মনত কৌতুহলৰ সৃষ্টি হয়। এই কৌতুহলৰ ফলস্বৰূপেই হয়তো পুৰাকথাসমূহৰ সৃষ্টি।

পুৰাকথাসমূহে যুগ যুগ ধৰি মানুহৰ ধৰ্মীয় আৰু লোক বিশ্বাসৰ কথা সোঁৱৰায়। আৰাধ্য দেৱ-দেৱীৰ উৎপত্তিৰ বিষয়ে কথা লোক বিশ্বাসসমূহ পুৰাকথাৰ মাজেদি মৌখিকভাৱে প্ৰচলিত হৈ আহি নতুন পুৰুষৰ ওচৰ চাপে।

---

১৫ W. R. Bascom : Contributions to Folkloristics, P. 98

জনশ্ৰুতি বা কিম্বদন্তীসমূহৰ মাজতো লোকজীৱনে প্ৰাণ পাই উঠা পৰিলক্ষিত হয়। জনশ্ৰুতিসমূহৰ মাজেদি কিছুমান অঞ্চলৰ বৈশিষ্ট্য প্ৰতিফলিত হয়। বিভিন্ন ঠাই, পৰ্বত, পুখুৰী আদিত পুৰণি নামত নতুন ৰহন অথবা নতুনকৈ নামকৰণ অথবা প্ৰাচীন কালৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ ঘটনাক কেন্দ্ৰ কৰি নামকৰণ কৰা হয়। কেতিয়াবা কোনো বিশেষ ব্যক্তিৰ জীৱন মৌখিক পৰম্পৰাৰে বিধৌত হৈ জনসমাজত প্ৰচলিত হৈ থাকে।

মইবঙৰপৰা অহা ৰজাই পোনপ্ৰথমে মায়ঙৰ পাহাৰত বাস কৰি অসুবিধা পাই ভৈয়ামলৈ গৈ বসতি কৰে বাবেই 'ৰজামায়ং' আৰু 'বুঢ়ামায়ং' গাওঁ দুখনৰ উৎপত্তি বুলি লোকসমাজত প্ৰচলন আছে। 'ৰজা জোঙাল বলহু পলাই আহি 'বহা' পাহাৰত জিৰাইছিল বাবে ঠাইখনৰ নাম 'বহা' হ'ল। 'গৰুবন্ধা' গাঁৱত জোঙাল বলহুক শিলৰ ভেটাত ডিঙৰি পাতি গৰুৰ দৰে ধৰি বান্ধি বধ কৰা হৈছিল বাবে ঠাইখনৰ নাম এনেদৰে ৰখা হ'ল।

মায়ঙৰ ৰাজবংশৰ এগৰাকী সুন্দৰী ৰাজকুমাৰী পৱিত্ৰাৰ অকাল মৃত্যু হোৱাত তেওঁৰ স্মৃতিৰ বাবে 'পবিতৰা' অৰণ্যখনৰ নাম হ'ল।

আন এক কিম্বদন্তীয়ে মানৰ আক্ৰমণৰ কথা সোঁৱৰায়। মানৰ সোতৰবাৰ আক্ৰমণে অসম দেশ জুৰুলা কৰি পেলাইছিল। মানে কচু কটা দিয়াৰ পাছত ঠাইখনৰ জনপ্ৰাণীশূন্য হৈ পৰিছিল। চুবুৰীয়া অঞ্চলত মানুহে ঠাইখিনি দখল কৰি জুম বান্ধি ৰাতিহে খেতি কৰিবলৈ লৈছিল। তেওঁলোকৰ সময়ৰ হিচাব আছিল পুঁৱতি তৰা। এই পুঁৱতি তৰাৰ পৰাই পবিতৰাৰ উৎপত্তি বুলি লোকবিশ্বাস প্ৰচলিত আছে। পুঁৱতি তৰাই লোকসমাজৰ সময় গণনাৰ প্ৰাচীন পদ্ধতিৰ কথা সোঁৱৰায়। লোকসমাজে ৰ'দৰ ছা, পুঁৱতি তৰা আদিৰ পৰা সময়ৰ হিচাপ লৈছিল।

যুদ্ধক্ষেত্ৰত মায়ঙৰ সৈন্যই 'হৰণলুকী মন্ত্ৰ' ব্যৱহাৰ কৰিছিল। চুবুৰীয়া ডিমৰীয়া ৰাজ্যৰ লগত হোৱা যুদ্ধত মায়ঙৰ সৈন্য কম বাবে ধূলিলৈ হৰণলুকি মন্ত্ৰ মাৰি সৈন্যক পৰাস্ত কৰিছিল বুলি জনশ্ৰুতি প্ৰচলিত আছে। যাতায়াতৰ উন্নত ব্যৱস্থা নথকা প্ৰাচীন মায়ঙত 'মালচৰণ মন্ত্ৰ'ৰ বলেৰে এজন মানুহে ম'হ দুহাল কান্ধত লৈ ঘৰ পাইছিলহি বুলি প্ৰবাদ আছে। সেইদৰে 'উড়ন মন্ত্ৰ'ৰ সহায়েৰে লোকসকলে বহু যোজন ৰাস্তা অতি কম সময়ৰ ভিতৰতে অতিক্ৰম কৰিব পাৰিছিল।

লোকসমাজত মাছমৰা গীত, জনশ্ৰুতিসমূহে জনপ্ৰিয়তা লাভ কৰা দেখা যায়। 'বাক'ৰ জনশ্ৰুতিৰ পৰা লোকসমাজৰ মাছমৰা কৌশল, সামগ্ৰী, মাছৰ প্ৰতি ধাউতিৰ সূক্ষ্ম চিত্ৰায়ন লক্ষ্য কৰা যায়।

'তিৱা' জনজাতিৰ মাজত প্ৰচলিত জনশ্ৰুতি অনুসৰি তিৱা বা লালুংসকলক মহাদেৱে সৃষ্টি কৰিছিল। মহাদেৱৰ মুখৰ লেলাৱতিৰ পৰা অৰ্থাৎ লাল বা লেলাউটিৰ পৰা সৃষ্টি হোৱা বাবেই তেওঁলোকেৰ বংশধৰসকল লালুং হ'ল বুলি বিশ্বাস প্ৰচলিত আছে।

সাধুকথাৰ মাজেদি লোকজীৱনৰ বিচিত্ৰ অভিজ্ঞতা, জ্ঞান, পাৰদৰ্শিতা, বুদ্ধি, সূক্ষ্ম অনুভূতি আদিৰ প্ৰকাশ ঘটিছে। লোকসমাজৰ আবাল-বৃদ্ধ-বণিতা সকলোৰে মাজতে জনপ্ৰিয় সাধুকথাৰ জৰিয়তে লোক শিক্ষা প্ৰদান কৰিবলৈ সহজ আৰু উত্তম পন্থা বিবেচনা কৰিয়ে হয়তো লোকসমাজে ইয়াক পূৰ্ণ মাত্ৰাই ব্যৱহাৰ কৰিছিল।

অসমীয়া লোকসাহিত্যৰ গদ্যধৰ্মী লোক-কথাসমূহতো লোকজীৱনৰ বাস্তৱধৰ্মী আৰু অলৌকিক ৰূপৰ বিশ্বাসৰ চিত্ৰণ দেখিবলৈ পোৱা যায়। 'লিখিত সাহিত্য যিদৰে সমাজৰ প্ৰভাৱৰ পৰা দূৰৈত থাকিব নোৱাৰে তদ্ৰূপ মৌখিক সাহিত্য বা লোকসাহিত্যয়ো সামাজিক প্ৰভাৱ একোতে অস্বীকাৰ কৰিব নোৱাৰে।'[১৬] লোককথাসমূহ সামাজিক প্ৰতিফলনৰ বিশিষ্ট মাধ্যম।

বেজবৰুৱাৰ ভাষাত 'সাধুকথা মানে সজ কথা বা সন্ত সাধুৰ বাক্য বুলি আদিৰ পৰাই অসমীয়াই ভাবি আহিছে।'[১৭] 'কোনো কোনোৱে আকৌ সাউদৰপৰা সাধুকথাৰ উৎপত্তি বুলি ক'ব বিচাৰে।'[১৮] সাধুকথাৰ এই সংজ্ঞাই লোকজীৱনৰ এটা দিশ পোহৰাই তোলে। আদিম মানুহৰ মহাপ্ৰবজন আৰু বিভিন্ন দেশৰ লগত ব্যৱসায় বাণিজ্যৰ জৰিয়তে বিভিন্ন ভাব চিন্তাৰ আদান প্ৰাদান হৈছিল। এই ব্যৱসায়-বাণিজ্যৰ মূলতে আছিল বণিক-সাউদসকল। সাধুকথা, মালিতা আদিৰ পৰা জনা যায় যে সাউদসকলে বছৰৰ পিছত বছৰ

---

১৬ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, পৃ. ৬৮

১৭ বেজবৰুৱা, লক্ষ্মীনাথ ঃ পাতনি, বুঢ়ী আইৰ সাধু

১৮ গোস্বামী, প্ৰফুল্ল দত্ত ঃ Ballads and Tales of Assam 1970 P.80

যুৰি বিদেশত বেহা-বাণিজ্য কৰিছিল। তেওঁলোকৰ জৰিয়তে বিভিন্ন বিষয় আন আন দেশত প্ৰচাৰ হৈছিল। সাধুকথাৰ মাজতো ইয়াৰ জীৱন্ত চিত্ৰণ দেখিবলৈ পোৱা যায়।

সাধুসমূহ ৰূপকধৰ্মী। প্ৰায় প্ৰতিটো সাধুৰ মাজেদি লোকজীৱন আৰু সমাজ জীৱন প্ৰতিফলিত হৈ আহিছে। 'তেজীমলা'ৰ সাধুটোত দেখা যায় অসমীয়া লোকজীৱনৰ এক কৰুণ অধ্যায় মাহীমাকৰ অত্যাচাৰ। ফুলকুমলীয়া তেজীমলাৰ ওপৰত পিতৃৰ অবৰ্ত্তমানত চলিছিল নিৰ্বিচাৰ অত্যাচাৰ। এই অত্যাচাৰৰ ফলত তেজীমলা মৰি মৰি জীয়াই উঠি এসময়ত পিতৃৰ সৈতে মিলন হোৱা দৃশ্যই পাঠক শ্ৰোতাক আপ্লুত কৰি তোলে। 'তেজীমলা যেন শোষিত-নিপীড়িত শ্ৰমকাৰী জনগণ। জনগণৰ সততা আৰু নিষ্ঠাৰ তুলনা নাই। মাহীমাক যেন শোষকৰ ৰূপক। গতিকে দেখা যায় অসমীয়া লোকজীৱনৰ পাৰিবাৰিক সমস্যাক সাধুকথাৰ ৰূপত সজাই তোলা হৈছে যি সাধুৱে পাঠক শ্ৰোতাৰ অন্তৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হয়।

মায়ং অঞ্চলত প্ৰাপ্ত এটি সাধুকথা 'কেচাতে মিঠা'। সাধুটোত এজন টেঙৰ কৃষকে মহাজন এজনক প্ৰথমতে কেচা কল মিঠা বুলি, দ্বিতীয়বাৰ বগলীৰে, তৃতীয়বাৰ ছাগলীৰে আৰু একেবাৰে শেষত এচাৰি এডালৰে ঠগন দিয়ে। গোটেই সাধুকথাটোৰ মাজৰে মহাজনৰ ধনৰ প্ৰতি লোভ আৰু নিৰ্বোধ স্বভাৱ ওলায় পৰে। লোক সমাজত এনে উদাহৰণ অলেখ দেখা যায়।

মায়ং অঞ্চলত প্ৰাপ্ত আন এটি সাধুকথাও শিৱদত্তৰ পত্নীৰ লগুৱাৰ প্ৰতি পৰকীয়া প্ৰেম, ধনৰ প্ৰতি লোভ আৰু স্বামীক কৰা প্ৰতাৰণাৰ ছবি দেখিবলৈ পোৱা যায়। লোকসাহিত্যত নাৰীৰ এহাতে কৰুণ-কোমল, মহিমাময়ী ৰূপ ফুটি উঠাৰ লগে লগে অন্যহাতেদি নাৰীৰ অন্তৰৰ হিংসা, কলুস কালিমা আৰু প্ৰতাৰণাৰ চিত্ৰও ফুটি উঠা দেখিবলৈ পোৱা যায়।

লোকসমাজত বিভিন্ন প্ৰকৃতিৰ লোক থাকে। কিছুমান সহজ-সৰল হোজা প্ৰকৃতিৰ, কিছুমান টেটোন বা চতুৰ প্ৰকৃতিৰ, কিছুমান অঘাইতং বা দুষ্ট প্ৰকৃতিৰ কিন্তু লোকসমাজে যাতে সততাৰ ওপৰত প্ৰগাঢ় বিশ্বাস ৰাখিব পাৰে সেইবাবে 'সাধুৰ জয় অসাধুৰ পৰাজয়' ঘোষিত হয় সাধুকথাৰ অন্তৰ। দুই বুধিয়কৰ সাধুত আদা বেপাৰী আৰু জালুকৰ

বেপাৰীয়ে ইজনে আনজনক ঠগি নিজেই ঠগন খোৱাৰ বিচিত্ৰ কাহিনীয়ে লোকসমাজক আমোদ আৰু শিক্ষা প্ৰদান কৰে।

গতিকে দেখা যায় যে গদ্যধৰ্মী লোককথাসমূহত প্ৰতিফলিত লোকজীৱন বাস্তৱ জীৱনৰে অনুকৃতি মাথোন। মানৱ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ সাক্ষী গদ্যধৰ্মী লোককথাই লোকসমাজক নৈতিক, সামাজিক শিক্ষাদান কৰাৰ লগতে আনন্দ প্ৰদান কৰি জনপ্ৰিয়তা অৰ্জন কৰিছে।

**৬.৩ প্ৰবাদ-প্ৰবচনত প্ৰতিফলিত লোকজীৱন ঃ**

পৃথিৱীৰ ভিন ভিন ভাষা-ভাষী লোকসমাজৰ মাজত যোজনা, ফকৰা, সাঁথৰ আদিৰ প্ৰচলন আছে। ইবোৰক অভিজ্ঞতা আৰু সামাজিক জ্ঞানৰ মূৰ্তিমন্ত ৰূপ বুলিব পাৰি— 'দহৰ জ্ঞান একৰ বাণী'। এটা চমু বা ঠেক পৰিসৰৰ যোজনাতে ব্যঞ্জিত হ'ব পাৰে এক বিশাল ৰূপ। 'ডিমাপাৰে হাঁহে খায় ভকত দাহে' এই ঠেক পৰিসৰৰ যোজনাটোৰ মাজত ব্যক্ত হৈ আছে এক সমাজ-ব্যৱস্থা।

ফকৰাযোজনাই সামৰি নোলোৱা বিষয় নাই। 'সমগ্ৰ মানৱজীৱন আৰু সমগ্ৰ মানৱ সমাজৰ বিষয়ে শিকিব বা জানিবলগীয়া অগাধ জ্ঞানৰ ভাণ্ডাৰ এই যোজনা ফকৰাসমূহ'[১৯] অসমীয়া সমাজ জীৱনৰ বিষয়ে যোজনা পটন্তৰসমূহ অধ্যয়ন কৰিলেই বহু কথা জানিব পাৰি।

প্ৰবাদ-প্ৰবচন বা যোজনাসমূহৰ ভিতৰত সমাজ জীৱনৰ ব্যাপক আৰু সৰ্বাত্মক প্ৰতিফলন ঘটিছে। প্ৰাত্যহিক জীৱনৰ প্ৰতিটো বিষয়েই মূৰ্ত হৈ উঠিছে যোজনাসমূহৰ মাজেৰে। অসমীয়া মানুহৰ খাদ্যাভ্যাস, কৃষি, জীৱিকা, জাতি-জনজাতি, আচাৰ-ব্যৱহাৰ, কৰণীয়-অকৰণীয়, বিশ্বাস-অবিশ্বাসৰ চিত্ৰ প্ৰতিফলিত হৈছে ইয়াৰ মাজেদি। অসমীয়া লোকজীৱনৰ ঘাই আধাৰ কৃষি। মায়ং অঞ্চলৰ সমাজ কৃষি নিৰ্ভৰ। সেই বাবেই অঞ্চলটোত প্ৰাপ্ত অধিকাংশ যোজনাই কৃষি ভিত্তিক। কৃষিকাৰ্যৰ উপযোগী হোৱাকৈ অথবা কৃষিৰ বিভিন্ন বিষয়ক লৈ এই যোজনা-পটন্তৰসমূহৰ উৎপত্তি হৈছে। পথাৰক লৈ, পথাৰৰ

---

১৯ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ২৭১

আলি বন্ধাকৰৈ, কৃষিকাৰ্যত লগা বিভিন্ন সঁজুলিৰ বৰ্ণনা, জীৱজন্তু কেনে হ'ব লাগে তাৰ বৰ্ণনা, প্ৰাকৃতিক দুৰ্যোগৰ বাবে খেতিৰ ৰক্ষণাবেক্ষণ কোন মাহত কি খেতি প্ৰয়োজনীয় ইত্যাদি সবিশেষ পাব পাৰি যোজনা-পটন্তৰৰ মাজেৰে।

লোকজীৱনৰ পাৰিবাৰিক জীৱন বা দাম্পত্য জীৱনৰ সম্পৰ্ক, তিতা-মিঠা অভিজ্ঞতাৰ ছবি যোজনা-পটন্তৰত স্পষ্টকৈ জিলিকি আছে। ওচৰ চুবুৰীয়াৰ লগত সম্বন্ধ মনোনত পত্নী নোপোৱা স্বামীৰ মনৰ দুখ, স্বামী-স্ত্ৰীৰ মাজৰ সুন্দৰ-মধুৰ সম্পৰ্ক অথবা তিক্ত সম্পৰ্ক, সু-নাৰীৰ লক্ষণ, কু-নাৰীৰ লক্ষণ, সুপুৰুষ অথবা কু-পুৰুষৰ লক্ষণ ইত্যাদি পাৰিবাৰিক জীৱনৰ বিভিন্ন চিত্ৰ প্ৰবাদ-প্ৰবচনসমূহৰ মাজত দেখিবলৈ পোৱা যায়।

*'হিৰ হিৰ গুম্ গুম্ বটুৱা পৈ।*
*ঘৈণীয়েকক মাৰিব গৈছে ধান খেৰ ডাল লৈ।।*
*লাহৰী মৰে লাহত।*
*পৈয়েক মৰে ঘুন্তুৰীয়া কাহত।।'*

ঘৰৰ জীয়ৰী, বোৱাৰী ঘাটলৈ গৈ নষ্ট হয়। আনহাতে ল'ৰা নষ্ট হয় হাটত। ওচৰ চুবুৰীয়াৰ সৈতে হোৱাই নোহোৱাই কথা পাতিলে ঘৰুৱা সম্পৰ্ক বেয়া হ'ব পাৰে। পাৰিবাৰিক সম্পৰ্কৰ অৱনতিৰ চিত্ৰ ঃ

*'যেতিয়া আহিব কালৰ বেহা।*
*পাটীৰ তিৰীয়েও বুলিব পেহা।'*

পাৰিবাৰিক জীৱনৰ সূক্ষ্ম ছবি কিছুমান এনেধৰণৰ—

*'ভায়ে ভায়ে দ্বন্দ লাগে, পৰে পায় আশ।*
*তিৰোতাৰ দ্বন্দ লাগে ঘৰতে প্ৰবাস।।'*

প্ৰাচীন বিভিন্ন ধৰ্মগ্ৰন্থ সমূহৰ মূল চৰিত্ৰৰ বৈশিষ্ট্যসমূহ অথবা একোটা উপকাহিনীৰ আধাৰত বহু ফকৰা-যোজনা নিৰ্মাণ হৈছে। লোকজীৱনতো অনুৰূপ ঘটনাৰ সামঞ্জস্যত এই ফকৰাৰ শৰ নিক্ষেপ কৰা হয়।

*'ভীমক মানিলে গদাকো মানিব লাগে।*
*সতী পাতালক যাব।*

*কাৰোবাৰ তপ কোনোবাই নিব।।*

*ৰামৰ কাৰ্যত বৈদ্যৰ হেলা।*

*হাগিব যাওতে ডেৰপৰা বেলা।।*

*ৰাম নৌ ওপজোতেই ৰামায়ণ ৰচনা কৰা।'*

এই আটাইবোৰ ফকৰাৰ অন্তৰালত ভাৰতৰ মহান প্ৰাচীন ধৰ্মগ্ৰন্থসমূহৰ কাহিনী সোমাই আছে। ফকৰা বুজিবলৈ কাহিনীসমূহ অনুধাৱন কৰিব লগা হয়।

প্ৰাচীন সমাজ জীৱনত পশুপালনেই আছিল জীৱিকাৰ ঘাই পথ। সেইবাবেই বিভিন্ন পশুৰ কথা ফকৰা-যোজনাত পোৱা যায়। পশুপালনৰ পৰৱৰ্ত্তী কালত কৃষিৰ লগত গৰু মহ'ৰ এৰাব নোৱাৰা সম্পৰ্ক গঢ়লৈ উঠে। ডাকৰ বচনসমূহত ঘাইকৈ জীৱ জন্তুসমূহৰ লগত কৃষিৰ ওতপ্ৰোতঃ সম্পৰ্ক সুন্দৰকৈ প্ৰকাশ পাইছে।

*'ভাললৈ ভাদত কলীগৰু নজগে।।*

*মহন্তৰ চিন মাহনিত।*

*বুঢ়া গৰুৰ চিন ঘাঁহনিত।।'*

বন্যজীৱজন্তুৰ পৰা কি উপায়েৰে ৰক্ষা পাব পাৰি যোজনাত উল্লেখ পোৱা যায়—

*'হাতীত লৰ, মহত পৰ।*

*গাহৰিত বাগি, বাঘত ভাবি।।'*

পুৰণি কালৰ পৰা গ্ৰাম্য জীৱনত গৃহসজ্জা কৰা হয় খেৰ-বাঁহ-বেতেৰে। এই সম্বন্ধে ফকৰা-যোজনাত পোৱা যায় ঃ

*'ইৰিণাৰ ঘৰ বিৰিণাৰ বেৰা।*

*ঘুমাই দেখো মই সৰগৰ তৰা।।*

*শাল-সোণাৰু কাহিৰৰ এফাল*

*ইকৰাই বোলে মোক ভালকৈ ৰাখিলে যাম ক'ত কাল।।'*

মানৱ সভ্যতাৰ ক্ৰম বিকাশৰ সতে এনেবোৰ গছ-বিৰিখ আদিৰ সম্বন্ধ নিহিত

হৈ আছে। বাঁহ আদি গছক লৈও বহু ফকৰা-যোজনা প্ৰচলিত আছে।

অসমীয়া গ্ৰাম্য জীৱনত তামোল-পাণৰ প্ৰভাৱ অপৰিহাৰ্য। তামোল-পাণৰ ব্যৱহাৰ সামাজিক তথা পাৰিবাৰিক দুয়োটা জীৱনতেই লক্ষ্য কৰা যায়। নতুনকৈ পতা বাৰীত তামোল পাণৰ অভাৱ, তামোল নাখালে কেনে অৱস্থা হয় তাৰ বৰ্ণনা যোজনাসমূহৰ মাজত দেখিবলৈ পোৱা যায়।

*— আগে আছিলং ভাটিত তামোল আছিল গাঁঠিত।*
*এতিয়া হলোং উজনীয়া তামোলৰ হ'লো খোজনীয়া।।*
*— হাজাৰ টকাৰ দায়।*
*তামোল-পাণ এটাতে যায়।।*

তামোল-পাণক অবলম্বন কৰি গঢ় লৈ উঠা এই যোজনা-ফকৰাসমূহে লোকজীৱনৰ অৰ্থনৈতিক অৱস্থাৰো বতৰা দিয়ে। তামোল আনৰ ঘৰৰ পৰা খুজি অনা অথচ তামোল নাখালেও থাকিব নোৱাৰা আকৌ তামোল এখনৰ চেলু লৈ হোৱা সম্পৰ্ক ইত্যাদি সকলো কথাই ফকৰা-যোজনাৰ মাজেদি ব্যক্ত কৰা হৈছে। লোকজীৱনত সতীয়া মাক বা মাহীআইক হীন চকুৰে চোৱা দেখা যায়। মাহীআয়ে যিদৰে ৰং চায়, মাহী আইকো ৰঙ চোৱাৰ চেষ্টা কৰা হয়।

*'তই থাক মই যাং।*
*মাহী আইৰ ৰং চাং।।'*

লোকজীৱনত হৰি ভক্তিক শ্ৰেষ্ঠ আসন দিয়া হৈছে। তাতোকৈ উচ্চ আসন দিয়া হৈছে খাদ্যক—

*'আটাইতকৈ ডাঙৰ হৰিকথা।*
*তাতোকৈ ডাঙৰ চাউল কথা।।'*

লোক জীৱনত বহুবিবাহ প্ৰথাৰ উমান পাব পাৰি ফকৰা-যোজনাৰ জৰিয়তে। 'মাহী আই' সতীনিৰ উল্লেখ ইত্যাদিৰ জৰিয়তে লোকসমাজ বহুপত্নীক প্ৰথাৰ সামাজিক স্বীকৃতি আছে বুলি অনুমান কৰিব পাৰি ঃ

*'এক তিৰীয়া লোদোৰ পোদোৰ*
*দুই তিৰীয়া গাঁতৰ এন্দুৰ।*
*তিনি তিৰীয়াই নাপাই ভাত*
*চাৰি তিৰীয়াৰ মূৰত হাত।।*
*কিনো কম মাহী আইৰ গুণ।*
*খোজো খাৰলি, দিয়েহি লোণ।।'*

লোকজীৱন বিশ্বাস-অবিশ্বাস ইত্যাদিৰে পৰিপূৰ্ণ। খাদ্যাভ্যাস, যাত্ৰা, বিবাহ, জন্ম-মৃত্যু ইত্যাদি প্ৰাত্যহিক জীৱনৰ প্ৰত্যেকটো কৰ্মৰ সৈতে জৰিত। এনে লোক-বিশ্বাসৰ অলেখ চিত্ৰ লোকজীৱনত পোৱা যায় যোজনা-পটন্তৰৰ জৰিয়তে—

*'কাৰোবাৰ কপালে হাতী ঘোঁৰা।*
*কাৰোবাৰ কপালে ঢেঁকী থোৰা।।'*

নাৰীক উচ্চ আসনত ৰাখিও কোনো কোনো ক্ষেত্ৰত লোকজীৱনত নাৰীৰ স্থান নিম্নগামী হোৱা দেখিবলৈ পোৱা যায়।

*'গোন্ধৰ মছলা পাদা, আঞ্জাৰ মছলা আদা।*
*দাৰ মছলা শিল, তিৰিৰ মছলা ধুমকিল।।*
*ঘৈণীয়েই ঘৰ।*
*ঘৈণী নহ'লে ঘৰ লৰফৰ।।'*

লোকজীৱনৰ সামাজিক অৱক্ষয় অথবা পাৰিবাৰিক সম্পৰ্কৰ অৱনতিৰ চিন যোজনা-পটন্তৰত স্পষ্ট ঃ

*'জালকে বুলিলে জকাই।*
*আন্ধাৰে মুন্ধাৰে চিনিব নোৱাৰি*
*পৈয়েকক বুলিলে ককাই।।'*

লোক জীৱন আৰু দৰিদ্ৰতা যেন একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। দৰিদ্ৰতা কাৰো কাম্য নহয়। নিজৰ বাবেও অভিশাপ, মিতিৰ বা সম্বন্ধীয় লোকৰ বাবেও দৰিদ্ৰ লোক হেয় ঃ

*'দুখীয়া হ'লেই লেতেৰা*
*ভাৰ্যাই নেদেখে হিত।*

*বাটৰ লগ পাই মিতিৰে নোসোধে*

*দিব লাগে বুলি কিবা বিত।।'*

নিজৰ সমাজখনতে আবদ্ধ নহৈ বিভিন্ন অঞ্চল বা আন ঠাইতো মিত্র স্থাপনে এদিন হ'লেও উপকাৰ সাধন কৰিব পাৰে।

*'দেশে দেশে কৰিবা মিত্র।*

*মৰণ নাই কদাচিত।।'*

অসমীয়া লোকসমাজ অতিথিপৰায়ণ। মায়ং অঞ্চললৈ অহা অতিথি ভেড়া হৈ যায় বুলি প্রবাদ আছে। এই আতিথ্য পৰায়ণতাৰ ছবি ফকৰা-যোজনাত স্পষ্ট ঃ

*'নামাতা যদি ফিৰি ফিৰি চাও।*

*মাতা যদি উভতি যাঁও।'*

লোকসমাজত এচাম লোক আছে বিপদত পৰিলে যিকোনো কাম কৰিবলৈ ৰাজি হয় কিন্তু বিপদ পাৰ হ'লে সকলো পাহৰি যায়।

*'পাৰ হ'লো যমুনা ভুৰত মাৰিলো লাঠি।*

*আৰু কি যমুনা উজান ভাটি।।'*

মায়ং অঞ্চলৰ বেজক লৈ বহু ফকৰা প্রচলিত হৈ আছে। বেজ আৰু বেজালিক লৈ নির্মাণ কৰা ফকৰাসমূহৰ জৰিয়তে অঞ্চলটোৰ বহু কথা জানিব পৰা যায় ঃ

*'বেজৰ নাকতো খৰে খায়।'*

এনেদৰে দেখা যায় যে প্রবাদ-প্রবচনসমূহত লোকজীৱনৰ বাস্তৱ অভিজ্ঞতা স্পষ্ট ৰূপত ফুটি উঠিছে। ৰজাৰ আইনৰ উপৰিও লোকসমাজৰ স্ব-সৃষ্ট আইন শৃংখলাৰে সমাজ শৃংখলিত কৰাৰ প্রয়াস প্রবাদ-প্রবচনসমূহৰ মাজত দেখিবলৈ পোৱা যায়। মানুহৰ অভিজ্ঞতা ভৱিষ্যত পুৰুষলৈ সঞ্চিত কৰে প্রবাদ-প্রবচনসমূহে।

### ৬.৪ মন্ত্র সাহিত্যত প্রতিফলিত লোকজীৱন ঃ

মন্ত্র লোকজীৱনৰ অঘোষিত জীৱন সংগ্রামৰ বাহন। লোকজীৱনৰ সৰল বিশ্বাস-মন্ত্রৰ জৰিয়তেই প্রাকৃতিক দুর্যোগ, বেমাৰ-আজাৰ, বন্য জন্তুৰ আক্রমণ, জীৱজন্তুৰ বেমাৰ-আজাৰ, অশুভ শক্তিক নাশ কৰিব পাৰি। মন্ত্রত বাঙ্ময় হৈ আছে কোনো এটা

জাতিৰ আবেগ, অনুভূতি, কল্পনা আৰু অভিজ্ঞতা। মন্ত্ৰসমূহৰ মাজত প্ৰাচীন কালৰ সমাজ ব্যৱস্থা, সামাজিক ৰীতিনীতি, সংস্কাৰ, জাতিৰ সামূহিক চিন্তন, গোপনীয় কথোপকথন আদি অন্তৰ্নিহিত হৈ আছে।

'মন্ত্ৰই এসময়ত সমাজ নিয়ন্ত্ৰণ কৰিছিল। যাদু বা মন্ত্ৰক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছিল শ্ৰেণী সমাজৰ। ভাৰতীয় সমাজ যাদুমন্ত্ৰৰ ওপৰত প্ৰতিষ্ঠিত একোখন শ্ৰেণী সমাজ।'[২০] বৈদিক মন্ত্ৰ উচ্চাৰণ কৰাসকল আছিল উচ্চ শ্ৰেণীৰ আৰু আনখন সমাজ লোকসমাজ, যাৰ বৈদিক মন্ত্ৰ উচ্চাৰণৰ অধিকাৰ নাছিল। পিছৰ যুগত মন্ত্ৰসমূহৰ ব্যৱহাৰ আৰু প্ৰয়োগ ক্ৰমে জনগণৰ ওচৰলৈ আগবাঢ়ি আহে।

'কৰতি মন্ত্ৰক ভাৰতীয় সংস্কৃত গ্ৰন্থৰ লৌকিক ৰূপ বুলিব পাৰি সঁচা, কিন্তু এনেবোৰ লৌকিক মন্ত্ৰৰ অৱলম্বনত সংস্কৃত গ্ৰন্থবোৰ ৰচনা হৈছিল বুলি অনুভৱ কৰাৰ যুক্তিও পতনুৱা নহয়।'[২১] বিৰিঞ্চি কুমাৰ বৰুৱাই শত্ৰুক আক্ৰমণ কৰা মন্ত্ৰ দুৰ্গ বা ৰাজ্য ৰক্ষা কৰা মন্ত্ৰ আদিৰ বিষয়েও আলোচনা কৰি কৈছে যে তেনেবোৰ মন্ত্ৰ কৌটিল্যৰ অৰ্থশাস্ত্ৰত থকা অনুৰূপ বিধিৰ লৌকিক সংস্কৰণ মাথোন।'[২২] এনে লৌকিক তন্ত্ৰ-মন্ত্ৰৰ ওপৰত ভিত্তি কৰিয়েই গোৰক্ষনাথৰ কামৰত্ন-তন্ত্ৰ ৰচিত হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে।

ধৰ্মীয় কৃত্য আদিৰ মাজেদি মন্ত্ৰ উচ্চাৰণ কৰা হয়। অনাদি কৰতি পুথিত 'ধূপ-দ্বীপ ফুলে তুলসীৰ পত্ৰে আৰৈ চাউল'ৰ উল্লেখৰ পৰা ধৰ্মীয়সাধন প্ৰণালীৰ আভাস পাব পাৰি। সেইদৰে বিবিধ পূজাৰ সামগ্ৰী একেখন গ্ৰন্থতে 'কুমত পাক স্ৰজিলে ঘট গঢ়িলো চাক' আদিৰ উল্লেখৰ পৰা গম পাব পাৰি। 'ওৰাণ-কোৰাণ কিতাপৰ গাঁঠি', সৰ্পৰ ধৰণী ধৰা মন্ত্ৰত 'আল্লাৰ হুকুম তফাত থাক' ইত্যাদি মন্ত্ৰৰ পৰা ইছলাম ধৰ্ম সম্বন্ধীয় মন্ত্ৰও পোৱা যায়।

লোকসমাজৰ বিভিন্ন আচাৰ-অনুষ্ঠান আদিৰ বিষয়ে মন্ত্ৰ সাহিত্যত উল্লেখ আছে। তাৰ উপৰিও বিভিন্ন লোকাচাৰত মন্ত্ৰৰ প্ৰয়োগো দেখা যায়। বিৰিঞ্চি কুমাৰ বৰুৱাই 'মন্ত্ৰ সাহিত্যত মধ্যযুগৰ অসম' শীৰ্ষক প্ৰবন্ধত দেখুৱাইছে যে সমাজৰ এনে এটি দিশ নাই যিটো দিশ মন্ত্ৰত প্ৰতিফলিত হোৱা নাই। অসমীয়া সমাজত বিবাহ এক পৱিত্ৰ

২০ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ২৫

২১-২২ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, পৃ. ৯১

অনুষ্ঠান। এই বিবাহৰ তৃতীয় দিনা দৰা-কন্যাক খোবা-খুবুনীৰ মন্ত্ৰ পঢ়োৱা হয়। তাৰ কাৰণ হৈছে এখন সুন্দৰ ঘৰুৱা জীৱন।

সন্তানহীনা নাৰীৰ দুখ আঁতৰাবলৈ, পূজাপাতাল, ঔষধ, মন্ত্ৰ প্ৰয়োগ কৰা হয়। অসমীয়া সমাজ জীৱনত এনে নাৰীক দুৰ্ভগীয়া আখ্যা দিয়া হয়। এনে দুৰ্ভগীয়া নাৰীৰ দুখ আঁতৰাবলৈ মন্ত্ৰ প্ৰয়োগ কৰা হয়।

সামাজিক জীৱনৰ মংগল আৰু উন্নতিৰ বাবে প্ৰয়োগ কৰা অলেখ মন্ত্ৰ আছে। ৰাজনীতি, সমাজ নীতি, অৰ্থনীতি, কৃষি সম্পৰ্কীয় অলেখ মন্ত্ৰ পোৱা যায়। ব্যৱসায় বাণিজ্য, তৰ্কযুদ্ধ যাত্ৰা, শত্ৰুনিধন শস্য বৃদ্ধি আদি সম্বন্ধীয়া অলেখ মন্ত্ৰ পোৱা যায়। ব'হাগ বিহুত দীঘলতি, মাখিয়তিৰে গৰুক কোবোৱা খেতিয়কে মন্ত্ৰ মতা, পথাৰত চাকি জ্বলাই আদিৰ স'তেও মন্ত্ৰৰ বিশেষ সম্পৰ্ক আছে।

লোক ভাষাত ব্যৱহৃত বিভিন্ন ফকৰা-যোজনা, পটন্তৰ ইত্যাদিয়েও মন্ত্ৰৰ ভাষাক সমৃদ্ধিশালী কৰি তুলিছে। 'ফাট দিয়া বসুমতী পাতালে লুকাও' (চক্ৰকৰতী মন্ত্ৰ) 'উৰি গ'ল শগুণী গজি গ'ল পখী' (চক্ৰকৰতী মন্ত্ৰ) ইত্যাদি ফকৰা-যোজনাই মন্ত্ৰ সাহিত্যক চহকী কৰি তুলিছে।

মন্ত্ৰসমূহ কিছুমান ধৰ্মকেন্দ্ৰীক আৰু কিছুমান ধৰ্ম নিৰপেক্ষ। ঈশ্বৰ, বিষ্ণুৰপৰা আল্লালৈকে সকলো ঈশ্বৰৰ উল্লেখ মন্ত্ৰত পোৱা যায়। গতিকে ক'ব পাৰি যে মন্ত্ৰসমূহ ধৰ্মৰ উৰ্দ্ধত লোকজীৱনৰ সৰল বিশ্বাসৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। এখন ধৰ্ম নিৰপেক্ষ সমাজৰ সম্প্ৰীতিৰ বাহন মন্ত্ৰসমূহে যুগ যুগ ধৰি সংমিশ্ৰণৰ ইংগিত বহন কৰি আহিছে। গতিকে দেখা যায় মন্ত্ৰত প্ৰতিফলিত সমাজখন জাতি ধৰ্মৰ উৰ্দ্ধৰ এখন সমাজ। তাৰোপৰি অসমৰ চাৰিওপিনৰ জনজাতীয় বেষ্টনীৰে ভৰা সমাজখনো মন্ত্ৰত প্ৰতিফলিত হৈছে। মুঠতে ক'ব পাৰি যে মন্ত্ৰত প্ৰতিফলিত সমাজখন বৃহত্তৰ অসমীয়া সমাজৰ এখন দাপোণ স্বৰূপ।

❑❑❑